# NSD NEWS BULLETIN
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 28-06-2025
**Time :** 19-10 hrs

ASSAMESE EVENING BULLETIN

::::::::::::::::::::::::::::::::::::::::::::::::::::::::::

## HEADLINE

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব।

২। প্ৰস্তাৱনা যিকোনো সংবিধানৰ আত্মাস্বৰূপ আৰু ইয়াক সলনি কৰিব পৰা নযায় বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে।

৩। ভাৰতে পাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰৰ ক্ষেত্ৰত ৭৮ শতাংশ হ্ৰাস কৰাৰ বিশেষ কৃতিত্ব আৰ্জন কৰিছে।

৪। চৰকাৰে কৃষি বন পালনৰ প্ৰসাৰৰ উদ্দেশ্যে কৃষি ভূমিত থকা গছ কটাৰ আদৰ্শ নিয়ম জাৰি কৰিছে।

*আৰু*

৫। পাকিস্তানৰ উত্তৰ-পশ্চিম প্ৰান্তত সংঘটিত আত্মঘাটি আক্ৰমণত ১৬ গৰাকী সৈনিকে প্ৰাণ হেৰুৱাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ সৈতে মত বিনিময় কৰিব। এয়া হ'ব মন কি বাত অনুষ্ঠানৰ ১২৩ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কত প্ৰচাৰিত হ'ব। এই অনুষ্ঠান আকাশবাণীৰ বাতৰি সেৱা বিভাগৰ ৱেবছাইট আৰু News on AIR ম'বাইল এপযোগেও শুনিব পৰা যাব। আকাশবাণীৰ বাতৰি সেৱা বিভাগ, ডিডি নিউজ, প্ৰধানমন্ত্ৰীৰ কাৰ্যালয় আৰু তথ্য-সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান পোনপটীয়া প্ৰচাৰ কৰা হ'ব। অনুষ্ঠানটিৰ ঠিক পাছতে আকাশবাণীয়ে ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

ooooo

প্ৰস্তাৱনা যিকোনো সংবিধানৰ আত্মাস্বৰূপ আৰু ইয়াক সলনি কৰিব পৰা নযায় বুলি উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত আজি গ্ৰন্থ উন্মোচনী অনুষ্ঠানত ভাষণ দি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে ভাৰতৰ বাহিৰে আন কোনো সংবিধানৰ প্ৰস্তাৱনা সলনি কৰা হোৱা নাই। তেওঁ কয়, যে প্ৰস্তাৱনাৰ আধাৰত সংবিধান বিকশাই তোলা হয় যদিও জৰুৰীকালীন অৱস্থাত জনসাধাৰণ প্ৰায় পৰাধীন হৈ থকা সময়ত ভয়াবহভাৱে প্ৰস্তাৱনাত সলনি কৰা হৈছিল। জৰুৰীকালীন অৱস্থাৰ সময়ছোৱাত প্ৰস্তাৱনাত সমাজবাদী, ধৰ্মনিৰপেক্ষ আৰু অখণ্ডতাৰ দৰে শব্দ অন্তৰ্ভুক্ত কৰাটো সংবিধান প্ৰণেতাসকলৰ বিচাৰ ধাৰাৰ সৈতে বিশ্বাসঘাট আছিল বুলি উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে মন্তব্য কৰে। তেওঁ কয়, যে এই কাৰ্য দেশৰ হাজাৰ হাজাৰ বছৰ পুৰণি সভ্যতাগত সম্পত্তি আৰু জ্ঞানক হেয় প্ৰতিপন্ন কৰাৰ বাহিৰে আন একো নহয়।

বৰ্তমান সময়তো সংবিধান প্ৰণেতা বি আৰ আম্বেদকাৰৰ বাৰ্তাৰ প্ৰাসংগিকতাৰ বিষয়ে আলোকপাত কৰি শ্ৰী ধনখড়ে কয়, যে আম্বেদকাৰ জনসাধাৰণৰ হৃদয়ত আছে আৰু সাম্প্ৰতিক সময়তো দেশবাসীৰ বাবে তেওঁৰ বাৰ্তাৰ প্ৰাসংগিকতা অক্ষুণ্ণ আছে।

ooooo

ভাৰতে পাঁচ বছৰৰ তলৰ শিশুৰ মৃত্যুৰ হাৰৰ ক্ষেত্ৰত ৭৮ শতাংশ হ্ৰাস কৰাৰ বিশেষ কৃতিত্ব আৰ্জন কৰিছে। ভাৰতে এই ক্ষেত্ৰত ৬১ শতাংশৰ বিশ্বজনীন হাৰৰতৈকও উন্নত প্ৰদৰ্শন আগবঢ়াবলৈ সমৰ্থ হৈছে। ৰাষ্ট্ৰসংঘৰ শিশু মৃত্যু হাৰ সম্পৰ্কীয় আনুমানিক প্ৰতিবেদন অনুসৰি ভাৰতত নৱজাতকৰ মৃত্যুৰ হাৰো বিশ্বজনীন ৫৪ শতংশৰ তুলনাত ৭০ শতাংশ হ্ৰাস পাইছে। কেন্দ্ৰীয় স্বাস্থ্য মন্ত্ৰালয় টিকাকৰণ প্ৰক্ৰিয়াৰ সংস্কাৰক লগতে এই প্ৰক্ৰিয়াৰ আউতাৰ বাহিতৰ থকা সকলক সামৰি লোৱাৰ বাবে সক্ৰিয় আৰু সৰ্বাত্মক দৃষ্টিভংগী গ্ৰহণ কৰা বুলি প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে কৈছে যে, টিকাকৰণ সবাটোকৈ শক্তিশালী আৰু ফলপ্ৰসু ৰাজহুৱা স্বাস্থ্য উপায় সমূহৰ অন্যতম। সাৰ্বজনীন টিকাকৰণ কাৰ্যসূচীৰ জৰিয়তে টিকাকৰণৰ প্ৰতি ভাৰতৰ অভূতপূৰ্ব প্ৰতিশ্ৰুতিবদ্ধতা প্ৰকাশ পাইছে আৰু এই কাৰ্যসূচীৰ অধীনত বছৰি দুই কোটি ৯০ লাখ গৰ্ভৱতী মহিলা তথা দুই কোটি ৬০ লাখ নৱজাতকক বিনামূলীয়া টীকা প্ৰদান কৰি অহা হৈছিল। টিকাকৰণ অভিযানৰ নিৰন্তৰ কাৰ্য ৰূায়ণৰ ফলত ভাৰতৰ মুঠ জনসংখ্যাৰ ভিতৰত ডোজ গ্ৰহণ নকৰা শিশুৰ সংখ্যা ২০২৪ চন দশমিক ০-৬ শতাংশলৈ গ্ৰাস পাইছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত ভাৰতে সামাজিক সুৰক্ষাৰ ক্ষেত্ৰত ঐতিহাসিক সাফল্য অৰ্জন কৰা বুলি শ্ৰম আৰু নিয়োগ মন্ত্ৰী ড০ মনসুখ মন্দাভিয়াই প্ৰকাশ কৰিছে। দেশৰ ৯৪ কোটিৰো অধিক জনসাধাৰণে এই সুবিধা লাভ কৰিছে। ভাৰতৰ সামাজিক সুৰক্ষাৰ শক্তিশালী, সৰ্বাত্মক আৰু পৰিৱৰ্তনকামী যাত্ৰাৰ কথা স্বীকাৰ কৰাৰ বাবে ড০ মন্দাভিয়াই আজি সামাজিক মাধ্যম যোগে আন্তঃৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ সঞ্চালক প্ৰধান গিলবাৰ্ট হোংবোৰ শলাগ লয়। শ্ৰী হোংবোই ভাৰতত সামাজিক সুৰক্ষা ব্যৱস্থাই সামৰি লোৱা লোকৰ সংখ্যা ২০১৯ চনৰ ২৫ শতাংশৰ পৰা ২০২৫ চনত ৬৪ শতাংশলৈ বৃদ্ধি পোৱা বুলি উল্লেখ কৰিছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি আন্তঃৰাষ্ট্ৰীয় মহাকাশ কেন্দ্ৰত থকা গ্ৰুপ কেপ্টেইন শুভাংশু শুক্লাৰ সৈতে কথা পাতে। বুধবাৰে AXIOM-4 অভিযানৰ অংশ হিচাপে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ফ্ল'ৰিডাৰ কেনেডী মহাকাশ কেন্দ্ৰৰ পৰা ভাৰতীয় মহাকাশচাৰী শুভাংশু শুক্লা আন তিনিগৰাকী মহাকাশচাৰীৰ সৈতে মহাকাশলৈ ৰাওনা হৈছিল। ইয়াৰে চাৰি দশক পূৰ্বে উইং কামাণ্ডাৰ ৰাকেশ শৰ্মাই ১৯৮৪ চনত ৰাছিয়াৰ অভিযানৰ অধীনত মহাকাশলৈ গৈছিল।

ooooo

চৰকাৰে কৃষি বন পালনৰ প্ৰসাৰৰ উদ্দেশ্যে কৃষি ভূমিত থকা গছ কটাৰ আদৰ্শ নিয়ম জাৰি কৰিছে। কৃষকসকলৰ আয় দুগুণলৈ বৃদ্ধি কৰা, বনাঞ্চলৰ বাহিৰত গছৰ সংখ্যা বৃদ্ধি কৰা, জলবায়ু পৰিৱৰ্তনৰ বিৰূপ প্ৰভাৱ ৰোধ কৰা, কাঠৰ আমদানি হ্ৰাস কৰা আৰু মাটিৰ বহনক্ষম ব্যৱহাৰ সুনিশ্চিত কৰাৰ উদ্দেশ্যে এই নিয়মাৱলী জাৰি কৰা হৈছে। পেৰিছ চুক্তিৰ অধীনত ভাৰতৰ জলবায়ু লক্ষ্য পূৰণত সহায় হোৱাকৈ এই নিয়মাৱলী বিকশাই তোলা হৈছে। পৰিৱেশ মন্ত্ৰালয়ে সকলো ৰাজ্যৰ মুখ্য সচিবলৈ লিখা এখন পত্ৰত এই বুলি কৈছে যে, কৃষি বন পালনৰ

ব্যৱসায় সুগম কৰি তোলা আৰু কৃষকসকলক কোনো ধৰণৰ প্ৰক্ৰিয়াগত বাধা অবিহনে খেতিত গছ-গছনিকো অন্তৰ্ভুক্ত কৰাৰ বাবে উৎসাহ যোগোৱাৰ উদ্দেশ্যে এই নিয়মাৱলী যুগুতাই উলিওৱা হৈছে।

আদৰ্শ নিয়ম অনুসৰি কাঠ আধাৰিত উদ্যোগ স্থাপন আৰু নিয়ন্ত্ৰণ নিয়মাৱলী ২০১৬ৰ অধীনত ইতিমধ্যে গঠন কৰা ৰাজ্যিক পৰ্যায়ৰ সমিতিসমূহে এই নিয়মৰ বাবেও সমিতি হিচাপে কাম কৰিব। এই সমিতিত এতিয়াৰে পৰা ৰাজহ আৰু কৃষি বিভাগৰ বিষয়াসকলকো অন্তৰ্ভুক্ত কৰা হ'ব। সমিতিসমূহে বন পালনৰ প্ৰসাৰৰ বাবে গছ কটা আৰু পৰিবহন নিয়মাৱলী সৰল কৰি কৃষি ভূমিৰ পৰা কাঠৰ, বিশেষকৈ বাণিজ্যিক মূল্য সম্পন্ন গছৰ উৎপাদন বৃদ্ধিৰ বাবে ৰাজ্য চৰকাৰক পৰামৰ্শ আগবঢ়াব।

আবেদকসকলে ৰাষ্ট্ৰীয় কাঠ ব্যৱস্থাপনা প্ৰণালী প'ৰ্টেলত বাগিচাৰ পঞ্জীয়ন কৰিব লাগিব। তেওঁলোকে ভূমিৰ মালিকিস্বত্বৰ সবিশেষ আৰু কৃষি ভূমিৰ স্থানৰ বিষয়ে উল্লেখ কৰিব লাগিব।

00000

পাকিস্তানৰ উত্তৰ-পশ্চিম প্ৰান্তত আজি সংঘটিত আত্মঘাটি আক্ৰমণত ১৬ গৰাকী সৈনিকে প্ৰাণ হেৰুৱায় আৰু ২৯ জন লোক আহত হয়। আহতসকলৰ ভিতৰত ১০ গৰাকী সৈনিক আৰু ১৯ গৰাকী অসামৰিক লোক আছে। এখন আত্মঘাটি বোমাৰুৱে বিস্ফোৰক সামগ্ৰী ভৰ্তি এখন বাহনেৰে সেনা বাহিনীৰ কনভয়ত খুন্দা মৰাৰ ফলত এই লোককেইজন হতাহত হয়। আৰক্ষীয়ে প্ৰকাশ কৰা মতে বিস্ফোৰণ ফলত দুটা ঘৰৰ মূধচ খহি পৰে আৰু ছটি শিশু আহত হয়। স্থানীয় সংবাদ মাধ্যমৰ বাকৰি অনুসৰি পাকিস্তানী তালিবানৰ পৃষ্ঠ পোষকতা প্ৰাপ্ত হাফিজ গুল বাহাদুৰ সশস্ত্ৰ গোটৰ আত্মঘাটি বোমাৰু শাখাই এই আক্ৰমণৰ দায়িত্ব স্বীকাৰ কৰিছে।

00000

পশ্চিমবংগ আৰক্ষীয়ে কলকাতাৰ এখন আইন মহাবিদ্যালয়ত সংঘটিত দলীয় ধৰ্ষণৰ গোচৰত এজন নিৰাপত্তাৰক্ষীক গ্ৰেপ্তাৰ কৰিছে। অভিযুক্তজনক আজি আদালতৰ সন্মুখত হাজিৰ কৰোৱা হ'ব। ইয়াৰ আগেয়ে কলকাতা আৰক্ষীয়ে এই গোচৰৰ সংক্ৰান্তত এজন প্ৰাক্তন ছাত্ৰসহ মুঠ তিনিজন ছাত্ৰক গ্ৰেপ্তাৰ কৰিছে। প্ৰাপ্ত বাতৰি অনুসৰি অভিযুক্ত কেইজনৰ পশ্চিমবংগৰ শাসকীয় দল তৃণমূল কংগ্ৰেছৰ সৈতে সম্পৰ্ক আছিল। অভিযুক্ত তিনিজনক মঙলবাৰলৈ আৰক্ষীৰ জিম্মালৈ প্ৰেৰণ কৰা হৈছে। বিৰোধী দলসমূহে এই ঘটনাক লৈ আজি কলকাতাত প্ৰতিবাদী সমদল উলিয়ায়।

00000

গাজাত যোৱা নিশাৰ পৰা পুৱালৈকে ইজৰাইলে চলোৱা বিমান আক্ৰমণত কমেও ৪৯ জন লোকে প্ৰাণ হেৰুৱাইছে। শ্বিফা হাস্পাতালৰ কৰ্মচাৰীৰ পৰা জানিব পৰা মতে নিহতসকলৰ ভিতৰত পেলেষ্টাইন ষ্টেডিয়াম আৰু সমীপৰ ৮টা অট্টালিকাত আশ্ৰয় লৈ থকা ১২ জন লোক আছে। বৰ্ধিত আক্ৰমণৰ মাজত আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্পে এসপ্তাহৰ ভিতৰত যুদ্ধ বিৰতি চুক্তি হ'ব পাৰে বুলি প্ৰকাশ কৰিছে। ইজৰাইলৰ সামৰিক পৰিক্ৰমা মন্ত্ৰী ৰ'ম ডৰ্মৰ আলোচনাৰ বাবে ৱাশ্বিংটনলৈ অহাৰ সম্ভাৱনা আছে।

00000

চৰকাৰে ভাৰতীয় আৰক্ষী সেৱাৰ জ্যেষ্ঠ বিষয়া পৰাগ জৈনক দুবছৰৰ বাবে ৰিচাৰ্চ এণ্ড এনালাইছিল উইং ৰ'ৰ পৰৱৰ্তী সচিব হিচাপে নিযুক্তি দিছে। ভাৰতীয় আৰক্ষী সেৱাৰ ১৯৮৯ বেটছৰ পাঞ্জাব কেডাৰৰ বিষয়া পৰাগ

জৈন ৰবি সিনহাৰ স্থলাভিষিক্ত হ’ব। কেবিনেটৰ নিযুক্তি কমিটিয়ে পৰাগ জৈনৰ নিযুক্তিত ইতিমধ্যে অনুমোদন জনাইছে।

০০০০০

ৰে’ল আৰু তথ্য আৰু সম্প্ৰচাৰণ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে আজি  কলকাতাৰ ভাষা ভৱনত অনুষ্ঠিত লঘু উদ্যোগ ভাৰতী উদ্যোক্তা সন্মিলনত অংশগ্ৰহণ কৰে। ইয়াৰ পূৰ্বে সাত্ৰাগাছী ৰে’ল ষ্টেচনৰ পৰা পুৰুলিয়া-বংকুৰা হৈ হাওৰালৈ এখনি বৈদ্যুতিক যাত্ৰীবাহী ৰে’লৰ সেৱা মুকলি কৰে। তেওঁ লগতে অমৃত ভাৰত ষ্টেচন আঁচনিৰ অধীনৰ কামকাজৰ অগ্ৰগতিৰো বুজ লয়।

০০০০০

ঃঃ সমাপ্ত ঃঃ